**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::

১। পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত নেডাৰলেণ্ডছত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাকো সাক্ষাৎ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হৈছে।

৩। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা-চিবিআইয়ে আজি নীট ইউ জি ২০২৬ ৰ প্ৰশ্নকাকত ফাদিল গোচৰৰ সৈতে জড়িত এজন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্চ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত নেডাৰলেণ্ডছত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাকো সাক্ষাৎ কৰে। তেওঁ ইয়াৰ পাছত দেশখনৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ইউৰোপীয় দেশখনৰ সৈতে ভাৰতৰ কৌশলগত আৰু অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকী নেডাৰলেণ্ডছ ভ্ৰমণলৈ গৈছে। শেহতীয়াকৈ সমাপ্ত হোৱা ভাৰত-ইউৰোপ মুক্ত বাণিজ্য চুক্তিৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰাৰ লগতে ইয়াৰ জৰিয়তে দেশ দুখনৰ মাজৰ সম্পৰ্ক বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

যোৱা নিশা এমষ্টাৰডাম বিমানবন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক দেশখনৰ বিদেশ মন্ত্ৰী টম বেৰেণ্ডছনে আদৰণি জনায়। পৰম্পৰাগত নৃত্য আৰু গীত-মাতৰ অনুষ্ঠানেৰে তেওঁক আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত ভিন ভিন বয়স, ধৰ্ম আৰু সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা ভাৰতীয় সম্প্ৰদায়ৰ বৃহৎসংখ্যক লোক উপস্থিত থাকে। প্ৰধানমন্ত্ৰীগৰাকী উপস্থিত হোৱাৰ লগে লগে কেউদিশে **মোদী- মোদী** আৰু **বন্দে মাতৰম** ধ্বনি শুনিবলৈ পোৱা যায়।

শ্ৰীমোদীয়ে আজি দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয় লোকসকলৰ সৈতে মত বিনিময় কৰিব। আয়োজকসকলে ঐতিহাসিক অনুষ্ঠান বুলি অভিহিত কৰা আজি আবেলি হ'বলগীয়া এই মত বিনিময় অনুষ্ঠানৰ বাবে হাজাৰ হাজাৰ প্ৰবাসী ভাৰতীয় নাগৰিকে আগ্ৰহেৰে অপেক্ষা কৰি থকা বুলি আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, এই মত বিনিময় সময়ত ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়টোৰ লগতে প্ৰবাসী ভাৰতীয়সকলৰ ভূমিকা আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ অৱস্থিতিৰ লেখিয়া বিষয়সমূহেও স্থান লাভ কৰাৰ সম্ভাৱনা আছে। শ্ৰীমোদীয়ে আজি আবেলি দেশখনৰ আগশাৰীৰ বাণিজ্যিক প্ৰতিষ্ঠানসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলকো সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ছোৱাত বিশেষকৈ ছেমিকণ্ডাক্টৰ চিপছ আৰু কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি ভিন ভিন খণ্ডক সামৰি কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। নেডাৰলেণ্ডছ ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰী

মোদী কালি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ আবু ধাবিত ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহ্য়ানৰ সৈতে এখন বৈঠকত মিলিত হয়।

নেডাৰলেণ্ডছ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী কাইলৈ ছুইডেনৰ গোথেনবাৰ্গলৈ যাব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ওল্ফ কিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক আলোচনাত ভাগ ল'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ নতুন নতুন খণ্ডৰ বিষয়ত আলোচনা কৰিব। শ্ৰীমোদীয়ে অহা ১৮ মে'ত নৰৱে ভ্ৰমণ কৰিব। তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশ লোৱাৰ লগতে দ্বিপাক্ষিক আলোচনাত ভাগ ল'ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত তেওঁ ইটালীলৈ যাব আৰু তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ' মেটাৰেলাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতেও আলোচনাত মিলিত হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হৈছে। অসম, পুডুচেৰী আৰু পশ্চিমবংগত বিজেপিৰ বিশেষ সফলতাৰ পাছত প্ৰথমবাৰৰ বাবে গুজৰাট ভ্ৰমণলৈ অহা শ্বাহে কেইবাখনো উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। ভ্ৰমণকালত বিভিন্ন উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। দক্ষিণ পশ্চিম মণ্ডলৰ কাৰ্যালয়ত শ্ৰীশ্বাহে গান্ধীনগৰ লোকসভা সমষ্টিত উন্নয়নমুলক কাম-কাজৰ লগতে গছ পুলি ৰোপণ সন্দৰ্ভত আলোচনাত মিলিত হয়। তদুপৰি সাৰখেজ গান্ধীনগৰ কৰিডৰ'ৰ আধুনিকীকৰণ আৰু ঘাটলোদিয়া, গোটা, চান্দলোদিয়া, থালতেজকে ধৰি দাঁতিকাষৰীয়া অঞ্চলৰ হ্ৰদসমূহৰ আন্তসংযোগ সম্পৰ্কতো বিষয়বীয়াসকলৰ সৈতে আলোচনাত মিলিত হয় আৰু কামসমূহ ক্ষীপ্ৰতাৰে কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

শ্ৰীশ্বাহে গান্ধীনগৰ লোকসভা সমষ্টিৰ পৰা ৭০ গৰাকী নৱ নিৰ্বাচিত পৌৰ সভাৰ পাৰিষদকো সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজহুৱা অভিযোগৰ ক্ষীপ্ৰ সমাধান আৰু উন্নয়নমূলক কাম-কাজৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে প্ৰশাসনিক বিষয়াসকলৰ সৈতে সমন্বয় ৰক্ষা কৰাৰ সন্দৰ্ভত পৰামৰ্শ প্ৰদান কৰে। ইয়াৰ উপৰিও তেওঁ নৰনপুৰা, ঘাটলোদিয়া, ভেজালপুৰ আৰু সাৰৰমতী বিধানসভা সমষ্টিৰ পাৰিষদসকলৰ সৈতেও মত বিনিময় কৰে।

ইয়াৰ পূৰ্বে তেওঁ অখণ্ডানন্দ আৰু শাস্ত্ৰ সাহিত্য, মুদ্ৰানা-লে' ন্যাসৰ কাম-কাজৰো পৰ্যালোচনা কৰে। তেওঁ গান্ধীনগৰ জিলাত মানচা পৌৰসভাৰ অধীনৰ উন্নয়নমূলক কাম-কাজসমূহ ক্ষীপ্ৰতাৰে সম্পন্ন কৰিবলৈ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে আৰু সমষ্টিটোৰ অন্তৰ্গত ৰাজহুৱা চিকিৎসালয় সমূহত উন্নত স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰাৰ লগতে পুৰণি চিকিৎসালয়খনৰ মেৰামতি আৰু উন্নীতকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীশ্বাহে পুনৰ উল্লেখ কৰে যে নাগৰিকসকলৰ বাবে উন্নত সা-সুবিধা আৰু জনকল্যানৰ বাবে সকলো উন্নয়নমুলক কাম-কাজ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পন্ন কৰিব লাগে।

ooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা-চিবিআইয়ে আজি নীট ইউ জি ২০২৬ ৰ জীৱবিজ্ঞানৰ প্ৰশ্নকাকত ফাদিল গোচৰৰ সৈতে জড়িত এজন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰে। মনিষা গুৰুনাথ মান্ধাৰে নামৰ অভিযুক্তজন মহাৰাষ্ট্ৰৰ পুণেৰ উদ্ভিদ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক। উল্লেখযোগ্য যে মান্ধাৰেক ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট পৰীক্ষা পৰিচালনাৰ বাবে বিশেষজ্ঞ হিচাপে নিযুক্তি দিছিল। চিবিআই জনোৱা অনুসৰি, চলিত মাহৰ ১৪ তাৰিখে গ্ৰেপ্তাৰ হোৱা অভিযুক্তজনৰ নীট পৰীক্ষাৰ সম্ভাব্য প্ৰাৰ্থীক সংগঠিত কৰি পুণেৰ নিজ বাসগৃহত এই ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ বাবে বিশেষ প্ৰশিক্ষণৰ প্ৰদান কৰি আছিল। এতিয়ালৈকে এই গোচৰত দিল্লী, জয়পুৰ, গুৰুগ্ৰাম, নাচিক, পুণে আৰু

আহলিয়া নগৰৰ পৰা ৯ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে ৫ জন অভিযুক্তক ইতিমধ্যে আদালতত হাজিৰ কৰোৱা হৈছে আৰু ৭ দিনৰ আৰক্ষী জিম্মাত ৰখা হৈছে। কালি গ্ৰেপ্তাৰ হোৱা আন দুজন অভিযুক্তক পুণেৰ আদালতত হাজিৰ কৰোৱা হৈছে আৰু ট্ৰানজিত ৰিমাণ্ডৰ পাছত দিল্লীলৈ স্থানান্তৰ কৰা হৈছে। উল্লেখযোগ্য যে বিগত ২৪ ঘণ্টাত চিবিআই দেশৰ ছটা স্থানত তালাচী অভিযান চলাই কেইবাটাও অভিযোগনামা দাখিল কৰে আৰু আপত্তিজনক নথিপত্ৰ, লেপটপ, কোনো বেংক ষ্টেটমেণ্ট, মোবাইল ফোন জব্দ কৰিছে।

ooooo

চলিত বৰ্ষৰ জানুৱাৰী মাহত চূড়ান্ত কৰা ভাৰত ইউৰোপীয় সংঘই মুক্ত বাণিজ্য চুক্তিয়ে ভাৰত আৰু চুইডেনকে ধৰি ইউৰোপীয় দেশসমূহৰ মাজত বাণিজ্য, বিনিয়োগ আৰু প্ৰযুক্তি সহযোগিতাৰ নতুন পথ মুকলি কৰাৰ সম্ভাৱনা আছে। চলিত বৰ্ষৰ আৰম্ভণিতে  সম্পন্ন হোৱা এই গুৰুত্বপূৰ্ণ চুক্তিৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চলিত ৫ খন দেশৰ ভ্ৰমণ প্ৰথমটো গুৰুত্বপূৰ্ণ উচ্চ পৰ্যায়ৰ সংযোগ হিচাপে গণ্য কৰা হৈছে।

বাণিজ্যিক চুক্তিৰ পৰা উদ্ভৱ হোৱা সম্ভাৱনা সন্দৰ্ভত ভাষণ প্ৰদান কৰি চুইডেনৰ আৰ্টিফেক্সত অৱস্থিত অভিযান্ত্ৰিক আৰু পন্য উন্নয়ন বিভাগৰ মুৰব্বী পাৰ ষ্টেনফেলটে ভাৰত আৰু ইউৰোপৰ মাজত শক্তিশালী উদ্যোগিক সহযোগিতা আৰু অধিক ব্যৱসায়িক সুযোগ বিষয়ত আশা ব্যক্ত কৰে। তেওঁ ভাৰতৰ উৎপাদন আৰু উদ্ভাৱন পৰিবেশতন্ত্ৰৰ ওপৰত ইউৰোপীয় কোম্পানীসমূহৰ মাজত ক্ৰমাৎ বৃদ্ধি পোৱা আস্থাৰ ওপৰত আলোকপাত কৰে।

চৰকাৰে হাতত লোৱা ব্যৱসায়ীক পদক্ষেপসমূহৰ ফলত টাটা মটৰছে অধিগ্ৰহণ কৰা আৰ্টিফেক্সে বিগত কেইবছৰ মানৰ পৰা যথেষ্ট লাভান্বিত হৈছে। উদ্যোগ বিশেষজ্ঞসকলৰ মতে সম্পাদিত ভাৰত আৰু ইউৰোপীয় ইউনিয়ন বাণিজ্য চুক্তিয়ে অটোমোবাইল ইঞ্জিনিয়াৰিং, স্বচ্ছ প্ৰযুক্তি আৰু উৎপাদন আদি খণ্ডত দুয়োখন দেশে উমৈহতীয়া সহযোগিতা আগবঢ়োৱাৰ লগতে এই খণ্ডসমূহ অধিক শক্তিশালী কৰি তুলিব।

ooooo

ইজৰাইলে কয় যে কালি গাজা চহৰত চলোৱা বিমান আক্ৰমণত হামাচৰ সামৰিক শাখাৰ নেতা অল দিন অল হাদ্দাদ নিহত হয়। ইজৰাইলৰ সেনা প্ৰধানে জনোৱা অনুসৰি হামাচৰ সামৰিক নেতৃত্বৰ শেষৰজন জ্যেষ্ঠ সেনাধ্যক্ষ হাদ্দাদ ২০২৩ চনৰ ৭ অক্টোবৰত গাজাত সংঘটিত আক্ৰমণৰ সৈতে বিশেষভাৱে জড়িত আছিল।

ooooo

ছিকিমে আজি ইয়াৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। ১৯৭৫ চনৰ আজিৰ দিনটোতে ৰাজ্যখনৰ আনুষ্ঠানিকভাৱে ভাৰতৰ সৈতে চামিল হৈছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰতিষ্ঠা দিৱস উপলক্ষে গেংটকৰ মনন কেন্দ্ৰত বিয়লি আয়োজিত মূল অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং আৰু ডʼনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াও উপস্থিত থাকে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হʼব।

ooooo

ঃঃ সমাপ্ত ঃঃ